জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ২৪০/২০২২

# ৭৬ তম স্বাধীনতা দিৱস উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰদান কৰা ভাষণত ৰাইজৰ প্ৰতি জনোৱা আহ্বান আৰু ঘোষণা

## দিনাংক- ১৫ আগষ্ট, ২০২২

দিছপুৰ, ১৫ আগষ্ট ঃ **ৰাইজৰ প্ৰতি আহ্বান**

১. প্ৰতিগৰাকী সন্তানে নিজৰ পিতৃ মাতৃৰ উপযুক্ত যত্ন লওঁক। পিতৃ-মাতৃৰ সৈতে সময় কটোৱাৰ বাবে চৰকাৰী কৰ্মচাৰীক জানুৱাৰী মাহত তিনি দিনৰ ছুটী দিয়া হব।
২. প্ৰকৃতি সুৰক্ষাত আমাৰ সকলোৰে গধুৰ দায়িত্ব আছে। স্বাধীনতাৰ অমৃতকালৰ সৈতে সংগতি ৰাখি একোজোপা অমৃত বৃক্ষ ৰোপন কৰি আৰু তাৰ উপযুক্তভাৱে প্ৰতিপালন কৰি প্ৰকৃতি আৰু পৰিৱেশ সুৰক্ষাত জড়িত হওঁক।
৩. নিজ নিজ অঞ্চলৰ একোটা অংগনৱাড়ী কেন্দ্ৰ প্ৰতিপালনৰ দায়িত্ব লৈ নাগৰিক হিচাপে নিজৰ সামাজিক দায়িত্ব পালন কৰক।
৪. নিজৰ জন্ম গাঁওখনৰ বিকাশত অংশ লোৱাটো সকলোৰে নৈতিক দায়িত্ব। নিজৰ গাঁওখনলৈ বছৰি অন্ততঃ এবাৰকৈ ভ্ৰমণ কৰি সেৱা আগবঢ়াওক। গাঁও দিৱসৰ দৰে কাৰ্যসূচী পালন কৰি গাওঁখনক বিকাশৰ কেন্দ্ৰবিন্দু ৰূপে গঢ়ি তোলক।
৫. আধুনিক কৃষি পদ্ধতিৰ সমান্তৰালভাৱে আমাৰ কৃষকসকলে জৈৱিক কৃষি পদ্ধতিটো আত্মনিয়োগ কৰক।
৬. স্বাস্থ্যৰ উপযুক্তভাৱে যতন লোৱাত গুৰুত্ব দিয়ক। নিয়মিত প্ৰাতঃভ্ৰমণ আৰু সান্ধ্যঃভ্ৰমণ কৰক।
৭. যিসমূহ পৰিয়ালত ঘৰুৱা সহায়ক আছে তেওঁলোকৰ প্ৰতি উপযুক্ত স্নেহভাৱ প্ৰদৰ্শন কৰিবলৈ আহ্বান জনালো। তেওঁলোকক মৰ্যাদা আৰু আত্মসন্মানেৰে জীয়াই থাকিবলৈ সহায় কৰাৰ লগতে শিক্ষালাভৰ সুযোগ দিয়ক। ঘৰুৱা সহায়কক অত্যাচাৰ কৰা লোকৰ যাতে উপযুক্ত শাস্তি হয় তাৰ বাবে আইন প্ৰণয়ন কৰা হব।
৮. দুৰ্নীতিৰ প্ৰতি আপোনালোক সজাগ হব লাগিব। চৰকাৰী কৰ্মচাৰীসকলক দুৰ্নীতিত জড়িত নহৈ সততা আৰু ন্যায়ৰ প্ৰতিমূৰ্তি হবলৈ আহ্বান জনালো।
৯. সমাজক সময়ে সময়ে দুৰ্বল কৰি তোলা এক কাৰক হৈছে অস্পৃশ্যতা। ৰাইজক অস্পৃশ্যতা সমুলঞ্চে বিসৰ্জন দিবলৈ আহ্বান জনাইছোঁ।

**ঘোষণা**

১. ৰাজ্যবাসীক Universal Health Coverage প্ৰদান কৰা হব। প্ৰধানমন্ত্ৰী আয়ুস্মান কাৰ্ড ৰাজ্যৰ প্ৰতিটো বিপিএল পৰিয়াল আৰু ৰেচন কাৰ্ড থকা পৰিয়াল অৰ্থাৎ গাঁৱৰ ৮৫ শতাংশ আৰু নগৰৰ ৭৫ শতাংশ লোকক প্ৰদান কৰা হব।
২. অসমৰ প্ৰায় ৪,০০০ উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহৰ আন্তঃগাঁথনি উন্নীতকৰণৰ বাবে ১০,০০০ কোটি টা ব্যয় কৰা হ'ব।
৩. ন্যায়িক ব্যৱস্থাটোৱে যাতে নাগৰিকক ন্যায় দিয়ে আৰু তাকো ন্যুনতম সময়ত, তাৰ বাবে যিসমূহ অপৰাধমূলক গোচৰৰ অভিযোগ অতি গুৰুতৰ নহয়, তেনে গোচৰসমূহ উঠাই লোৱাৰ বাবে চৰকাৰে আদালতত আৰ্জি দিব। ২০২২ বৰ্ষৰ ১৪ আগষ্টৰ মাজনিশা পৰ্যন্ত ৰুজু হোৱা কম গুৰুতৰ গোচৰৰ ক্ষেত্ৰত চৰকাৰে এই ব্যৱস্ত্ৰা লোৱাৰ ফলত আদালতত প্ৰলম্বিত হৈ থকা প্ৰায় ১ লাখ গোচৰ নিষ্পত্তি হব।
৪. সাম্প্ৰতিক বানত ক্ষতিগ্ৰস্ত লোকসকলক সাহায্য অহা ২০ আগষ্টৰ ভিতৰত প্ৰদান কৰা হব।
৫. জলাশয়বোৰে প্ৰাকৃতিকভাবে জল ধাৰণ কৰাৰ উপৰি জলজ জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ দিশতো গুৰুত্বপূৰ্ণ ভূমিকৈ লৈ আহিছে। অসমৰ জলাশয়সমূহৰ গুৰুত্ব উপলব্ধি কৰি সেই সমূহৰ সংৰক্ষণৰ বাবে এখন আইন

প্ৰণয়ন কৰা হব।

৬.যিসমূহ পৰিয়ালৰ এটাতকৈ অধিক প্ৰজন্মই গো-চৰণীয়া পথাৰত বসবাস কৰি আহিছে তেনে পৰিয়ালসমূহক মাটিৰ পট্টা প্ৰদান কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে।

৭. অসমৰ জনজীৱনত প্ৰচলিত হৈ থকা একচনীয়া মাটিৰ ধাৰণাটোৰ বিলুপ্তিকৰণৰ বাবেও চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। এনেধৰণৰ একচনীয়া ভূমিত বসতি কৰি থকা লোকসকলক ম্যাদী পট্টা প্ৰদানৰ বাবে চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে।

৮. শিশুসকলৰ শাৰিৰীক, মানসিক, আবেগিক, বৌদ্ধিক আৰু সামাজিক বিকাশৰ বাবে অঙ্গনৱাড়ী কেন্দ্ৰসমূহে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এই অংগনৱাড়ী কেন্দ্ৰসমূহৰ আন্তঃগাঁথনি উন্নত হ'লেহে শিশুসকলৰ বাবে আমি আনন্দদায়ক আৰু অবিৰত বিকাশ সম্ভৱ কৰিব পাৰিম। ৰাজ্যখনত সেইবাবে পোন্ধৰ হাজাৰ অঙ্গনৱাড়ী কেন্দ্ৰ গঢ়ি তুলিবলৈ সিদ্ধান্ত লোৱা হৈছে।

৯. সম্প্ৰতি অসম চৰকাৰে লাচিত বৰফুকনৰ চাৰিশ বছৰীয়া জন্মজয়ন্তী উদযাপন কৰি আছে । লাচিত বৰফুকনৰ বিষয়ে ৰচনা লিখা কাৰ্যত সমগ্ৰ ৰাজ্যৰ জনসাধাৰণক জড়িত কৰি অসম বুৰঞ্জীৰ এই মহিমামণ্ডিত অধ্যায়টোৰ উদযাপন কৰিব খোজা হৈছে। সেই উপলক্ষে ৭ নৱেম্বৰত মহাবীৰগৰাকীৰ জীৱনৰ ওপৰত এখনকৈ ৰচনা লিখিবলৈ ৰাজ্যবাসীক আহ্বান জনোৱা হৈছে। ইয়াৰ বাবে প্ৰত্যেক ব্যক্তিকে একোখনকৈ মানপত্ৰ প্ৰদান কৰা হব।

১০. হিংসাৰ পথ পৰিহাৰ কৰি সকলো উগ্ৰপন্থী সংগঠনক শান্তিৰ পথলৈ উভতি আহিবলৈ আহ্বান জনালো।

ৰিঃ গঃ
**১৫/০৮/২০২২**